**NSD NEWS BULLETIN**
**AKASHVANI, GUWAHATI**
**0000000000**

**Date :** 24-03-2025
**Time :** 1340 hrs

ASSAMESE MIDDAY BULLETIN
HEADLINES
**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি ৰায়পুৰত ছত্তিশগড় বিধানসভাৰ ৰূপালী জয়ন্তীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

২। কৰ্ণাটক বিধানসভাৰ প্ৰসংগক লৈ শাসকীয় পক্ষৰ সাংসদসকলে কৰা প্ৰতিবাদক কেন্দ্ৰ কৰি সংসদৰ উভয় সদন আজি স্থগিত ৰাখিবলগীয়া হয়।

৩। ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে দিল্লী উচ্চ ন্যায়ালয়ৰ এগৰাকী ন্যায়াধীশৰ বাসগৃহৰ পৰা ধন উদ্ধাৰ হোৱা ঘটনাত জে পি নাড্ডা আৰু মল্লিকাৰ্জু খাৰ্গেৰ সৈতে এখন বৈঠক আহ্বান কৰিছে।

৪। দিল্লী উচ্চ ন্যায়ালয়ে ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ সৈতে জড়িত সকলো ধৰণৰ ন্যায়িক কাম-কাজ প্ৰত্যাহাৰ কৰিছে। ***আৰু***

৫। আই পি এল টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হ'বলগীয়া এখন খেলত ডেলহী কেপিটেলছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি ৰায়পুৰত ছত্তিশগড় বিধানসভাৰ ৰূপালী জয়ন্তীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে বাঁওপন্থী উগ্ৰবাদৰ দ্বাৰা প্ৰভাৱিত লোকসকলক সমাজৰ মূল সুঁতিৰ সৈতে সংযোজিত কৰাৰ প্ৰক্ৰিয়া সম্প্ৰতি চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। তেওঁ কয় যে ছত্তিশগড়ৰ নক্সালবাদৰ দ্বাৰা প্ৰভাৱিত জনসাধাৰণ এতিয়া উন্নয়নৰ পথত আগবাঢ়িবলৈ বিচাৰিছে। ৰাজ্যখনৰ জনসাধাৰণে ছত্তিশগড়ক শীঘ্ৰেই উগ্ৰবাদৰ পৰা সম্পূৰ্ণৰূপে মুক্ত কৰি ৰাজ্যখনৰ ইতিহাসত এটা সোণালী অধ্যায়ৰ সূচনা কৰিব বুলি তেওঁ গভীৰ বিশ্বাস ব্যক্ত কৰে।

আজিৰ এই অনুষ্ঠানত ছত্তিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকা, বিধানসভাৰ অধ্যক্ষ ড০ ৰামন সিং, মুখ্যমন্ত্ৰী বিষ্ণুদেও ছাই আৰু বিৰোধী দলপতি ড০ চৰণ দাস মহান্তেও ভাষণ দিয়ে। ছত্তিশগড় বিধানসভাৰ ৰূপালী জয়ন্তী উপলক্ষে আয়োজিত এই অনুষ্ঠানতেই **সদস্য সন্দৰ্ভ** শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰাৰ লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে বিধানসভা চৌহদত এটা গছপুলি ৰোপন কৰে।

০০০০০

কৰ্ণাটক বিধানসভাৰ প্ৰসংগক লৈ সংসদৰ উভয় সদনত আজি হুলস্থূলীয়া পৰিস্থিতিৰ উদ্ভৱ হয়। ৰাজ্যখনত এটা নিৰ্দিষ্ট সংখ্যালঘু গোটৰ বাবে ৰাজহুৱা ঠিকাৰ ক্ষেত্ৰত সংৰক্ষণৰ ব্যৱস্থা কৰা আৰু সংবিধান সলনিৰ বিষয়ক লৈ কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰে মত প্ৰকাশ কৰা বুলি চৰ্চাক কেন্দ্ৰ কৰি বিজেপিৰ সাংসদসকলে সদন উত্তপ্ত কৰি তোলে। এই বিষয়টোক লৈ উভয় সদন বিয়লি ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

ৰাজ্যসভাত আজি পুৰা সদন মিলিত হোৱাৰ সময়তে শাসকীয় পক্ষৰ সদস্যসকলে বিষয়টোক লৈ প্ৰতিবাদৰ সূচনা কৰে। সংবিধানৰ পৰিৱৰ্তন সন্দৰ্ভত কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী শিৱ কুমাৰে প্ৰকাশ কৰা মন্তব্যৰ উদ্ধৃতি দি সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে এইবুলি অভিযোগ কৰে যে নিৰ্দিষ্ট এটা সংখ্যালঘু গোটৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰি কংগ্ৰেছ দলে বাবা চাহেব আম্বেদকাৰৰ সংবিধানৰ মৰ্যাদা লাঘৱ কৰিছে। তেওঁ উপ-মুখ্যমন্ত্ৰীগৰাকীক পদত্যাগৰ বাবেও দাবী জনায়। একেদৰে দলটোৰ সংসদীয় নেতা জে পি নাড্ডাইও এই ব্যৱস্থাৰ জৰিয়তে সংবিধানক অৱমাননা কৰা বুলি কংগ্ৰেছ দলক দোষাৰোপ কৰে। তেওঁ কয় যে ড০ বি আৰ আম্বেদকাৰে দেশত ধৰ্মৰ ভিত্তিত কৰা সংৰক্ষণৰ বিৰোধিতা কৰিছিল।

তেওঁলোকৰ এনে বক্তব্যৰ প্ৰত্যুত্তৰত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই কয় যে ড০ বি আৰ আম্বেদকাৰে প্ৰস্তুত কৰা সংবিধানখন কোনেও সলনি কৰিব নোৱাৰে আৰু কোনো লোকেই সংৰক্ষণ ব্যৱস্থাৰ অৱসান ঘটাব নোৱাৰে। বিজেপিয়ে সংবিধানৰ অৱমাননা কৰা বুলিও তেওঁ ওলোটাই অভিযোগ কৰে। বিষয়টোক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা হুলস্থূলীয়া পৰিবেশৰ মাজতে সভাপতি জগদীপ ধনখড়ে সদন স্থগিত ৰখা বুলি ঘোষণা কৰে।

লোকসভাতো আজি পুৰা সদন মিলিত হোৱাৰ সময়ত শাসক পক্ষৰ সদস্যসকলে একেটা বিষয়ক লৈ হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। সমাজবাদী পাৰ্টীৰ সাংসদসকলে উত্তৰ প্ৰদেশত মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধমূলক ঘটনাৰ প্ৰতিবাদত প্লে কাৰ্ড প্ৰদৰ্শন কৰি সদনত প্ৰৱেশ কৰে। অধ্যক্ষ ওম বিৰলাই এনেদৰে প্লে কাৰ্ড লৈ সদনত প্ৰৱেশ কৰা কাৰ্যৰ বিৰোধিতা কৰি ইয়াক নিম্ন সদনৰ নীতি-নিয়মৰ পৰিপন্থী বুলি অভিহিত কৰাৰ লগতে তেওঁলোকৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সকিয়াই দিয়ে। তৎসত্বেও সমাজবাদী পাৰ্টীৰ সাংসদসকলে তেওঁলোকৰ প্ৰতিবাদ অব্যাহত ৰাখে। একে সময়তে শাসকীয় বিজেপিৰ সদস্যসকলেও কৰ্ণাটকত নিৰ্দিষ্ট এটা সংখ্যালঘু গোটৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰাৰ প্ৰসংগটোক লৈ প্ৰতিবাদ সাব্যস্ত কৰিবলৈ লয়। এনে পৰিস্থিতিত অধ্যক্ষগৰাকীয়ে প্ৰতিবাদকাৰী সাংসদসকলক সদনৰ প্ৰশ্নকালীন কাৰ্যসূচী সুকলমে সম্পন্ন কৰিব পৰাকৈ শান্তিপূৰ্ণ পৰিৱেশ বৰ্তাই ৰাখিবলৈ আহ্বান জনায় যদিও তেওঁৰ আহ্বানৰ প্ৰতি কোনো পক্ষই গুৰুত্ব আৰোপ নকৰাত অধ্যক্ষই সদন স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

০০০০০

ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে দিল্লী উচ্চ ন্যায়ালয়ৰ এগৰাকী ন্যায়াধীশৰ বাসগৃহৰ পৰা বৃহত্ পৰিমাণৰ ধন উদ্ধাৰ হোৱা ঘটনাটোৰ প্ৰসঙ্গত সদনৰ নেতা জে পি নাড্ডা আৰু বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেৰ সৈতে এখন বৈঠক আহ্বান কৰিছে। উল্লেখযোগ্য যে ন্যায়াধীশগৰাকীৰ বাসগৃহত ধন উদ্ধাৰ হোৱা বিষয়টো কংগ্ৰেছ দলৰ নেতা জয়ৰাম ৰমেশে যোৱা সপ্তাহত সদনত উত্থাপন কৰিছিল। পৰৱৰ্তী সময়ত সভাপতি জগদীপ ধনখড়ে বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰি এই বৈঠকৰ আয়োজন কৰে।

আনহাতে, দিল্লী উচ্চ ন্যায়ালয়ে ন্যায়ধীশ য়শৱন্ত বাৰ্মাৰ বাসগৃহত সংঘটিত অগ্নিকাণ্ডৰ পাছত বৃহৎ পৰিমাণৰ নগদ ধন জব্দ হোৱা ঘটনাৰ পিছতেই ন্যায়ধীশগৰাকীৰ সৈতে জড়িত

সকলো ধৰণৰ ন্যায়িক কাম-কাজ প্ৰত্যাহাৰ কৰিছে। উচ্চ ন্যায়ালয়খনৰ এটা টোকাত আজি এই কথা ঘোষণা কৰা হৈছে।

০০০০০

অসম বিধানসভাৰ প্ৰশ্নোত্তৰ কালত আজি চি পি আই এমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে ৰাজ্যত চলি থকা দুৰ্নীতি, চিণ্ডিকেট আৰু ৰেট হোল মাইনিঙৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰে। প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে তেওঁৰ কাৰ্যকালত ২৪জন প্ৰথম শ্ৰেণীৰ উচ্চ পৰ্যায়ৰ বিষয়া, ৮০জন দ্বিতীয় শ্ৰেণীৰ বিষয়াকে ধৰি মুঠ ৩৪৯গৰাকী চৰকাৰী বিষয়াক দুৰ্নীতিৰ গোচৰত গ্ৰেপ্তাৰ কৰা হৈছে। ৰেট হোল মাইনিং সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত কয়লাৰ গোচৰত এজনো লোকক গ্ৰেপ্তাৰ নকৰাৰ বিপৰীতে বিজেপি চৰকাৰে ৩ লাখ মেট্ৰিক টনতকৈও অধিক কয়লা জব্দ কৰাৰ লগতে ২২৮জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

আনহাতে, উপাধ্যক্ষ নোমল মমিন বিধানসভাত প্ৰবেশ কৰাৰ সময়ত তেওঁৰ গাত কংগ্ৰেছৰ বিধায়ক নুৰুল হুদাই হাত দিয়া বুলি বিজেপিৰ কেইগৰাকীমান বিধায়কে বিধানসভাত অভিযোগ উত্থাপন কৰাক লৈ সদনত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়। এই হুলস্থূলীয়া পৰিবেশৰ বাবে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে সদনৰ কাম-কাজ ১০ মিনিটৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। বিৰোধী দলপতি দেৱব্ৰত শইকীয়া আৰু আন কেইবাগৰাকীও কংগ্ৰেছ বিধায়কে অভিযোগৰ সত্যাসত্য বিচাৰ কৰিবলৈ বিধানসভা চৌহদৰ চি চি টিভি ফুটেজ পৰীক্ষা কৰিবলৈ অধ্যক্ষক অনুৰোধ জনায়। বিষয়টো সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অধ্যক্ষ শ্ৰীদৈমাৰীক এজাহাৰ দাখিল কৰিবলৈ অনুৰোধ জনায়। ইপিনে, বিধানসভাত শুকুৰবাৰে বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে কৰা অশোভনীয় আচৰণৰ প্ৰতিবাদত কংগ্ৰেছ দলৰ বিধায়কসকলে ক'লা বেজ পৰিধান কৰি বিধানসভাত প্ৰবেশ কৰে। একেটা বিষয়ক লৈ এ আই ইউ ডি এফৰ বিধায়কসকলে সদনত হেঙাৰ-জপনা লৈ প্ৰৱেশ কৰে। সদনত বিষয়টো সম্পৰ্কত মন্তব্য কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে সিদিনা তেওঁ সদনত উপস্থিত নথকাৰ বাবেহে এনে ঘটনা ঘটিবলৈ পালে। ৰূপজ্যোতি কুৰ্মীক সংযত হ'বলৈ তেওঁ পুনৰবাৰ আহ্বান জনায় আৰু বিষয়টো ইমানতে সমাপ্ত কৰিবলৈ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াক আহ্বান জনায়।

০০০০০

আজি বিশ্ব যক্ষ্মা দিৱস। দিৱসৰ সৈতে সংগতি ৰাখি কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে. পি নাড্ডাই কয়, যে ভাৰতৰ সকলো নাগৰিকে একেলগ হৈ কাম কৰি এখন যক্ষ্মামুক্ত ভাৰত গঢ়িবলৈ সক্ষম হ'ম। মন্ত্ৰীগৰাকীয়ে যক্ষ্মা দূৰীকৰণৰ পদক্ষেপৰে দেশৰ জনসাধাৰনৰ স্বাস্থ্য উন্নীত কৰা বাবে কাম কৰি থকা লোকসকলকৰো সলাগ লয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে এই ৰোগ নিৰ্মূলৰ বাবে চৰকাৰে গ্ৰহন কৰা পদক্ষেপ সমূহৰ কথাও তেওঁ প্ৰকাশ কৰে। যক্ষ্মা ৰোগত আক্ৰান্ত ৰোগী সকলে চৰকাৰৰ পৰা পূৰ্বে লাভ কৰা মাহে ৫০০ টকা আৰ্থিক সাহায্যৰ পৰিমান বৃদ্ধি হৈ বৰ্তমান প্ৰতিমাহে ১০০টকাকৈ লাভ কৰে বুলিও বাৰ্তাটোত উল্লেখ কৰা হৈছে।

০০০০০

মুম্বাইৰ পশ্চিম বিদ্যা-বিহাৰ অঞ্চলৰ এটা আবাসিক চৌহদত আজি পুৱাৰ ভাগত সংঘটিত বিধ্বংসী অগ্নিকাণ্ডত এজন লোকে প্ৰাণ হেৰুৱায়। ঘটনাটোত কেইবাজনো লোক আহত হোৱাৰ লগতে বহু সা-সম্পত্তিৰ হানি হয়। অগ্নিকাণ্ডৰ কাৰণ সম্পৰ্কে এতিয়াও জানিব পৰা হোৱা নাই।

ooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **যক্ষ্মা ৰোগৰ প্ৰতিৰোধ আৰু নিৰ্মূল** বিষয় সন্দৰ্ভত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ উপ-সঞ্চালক প্ৰধান ডাঃ উৰ্বশী বি সিং আৰু নতুন দিল্লীৰ ছফদৰ্জং চিকিৎসালয়ৰ শ্বাস-প্ৰশ্বাসজনিত চিকিৎসা বিভাগৰ মুৰব্বী ডাঃ ৰোহিত কুমাৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **যক্ষ্মাৰোগ কেনেদৰে চিনাক্ত কৰিব পৰা যায় আৰু এই ৰোগৰ প্ৰতিৰোধ তথা নিৰ্মূল** সন্দৰ্ভত সমল ব্যক্তিসকলক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰাৰ লগতে সামাজিক মাধ্যম **এক্সত, হেছটেগ AskAir** ৰ জৰিয়তেও প্ৰশ্ন সুধিব পাৰিব।

ooooo

আই পি এল টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হ'বলগীয়া এখন খেলত ডেলহী কেপিটেলছ লক্ষ্মৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিশাখাপট্টনমৰ ড০ ৱাই এছ ৰাজাশেখৰ ৰেড্ডী ক্ৰিকেট ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই ছুপাৰ কিংছে মুম্বাই ইণ্ডিয়ানছক ৪ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৫৫ ৰাণ কৰে। প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিংছ ১৯ অভাৰ আৰু এটা বলতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলটোৰ হৈ ৰাচিন ৰবীন্দ্ৰই অপৰাজিত ৬৫ আৰু অধিনায়ক ৰিতুৰাজ গাইকোৱাডে ৫৩ ৰাণ কৰে। ইপিনে মুম্বাই ইণ্ডিয়ানছৰ হৈ অধিনায়ক সূৰ্য কুমাৰ যাদৱে ২৯ আৰু তিলক বাৰ্মাই ৩১ ৰাণৰ বৰঙণি আগবঢ়ায়। ৰিগনেশ পুথুৰে ৩টা আৰু দীপক শ্বহৰ তথা উইল জেক্সে এটাকৈ উইকেট দখল কৰে। চেন্নাই ছুপাৰ কিংছৰ হৈ ১৮ ৰাণৰ বিনিময়ত ৪টা উইকেট দখল কৰা নুৰ আহমেদক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। কালি হায়দৰাবাদত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰাজস্থান ৰয়েলছক ৪৪ ৰাণত পৰাস্ত কৰে।

ooooo

সমাপ্ত